**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 14-05-2026 **Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

০০০০০

১। ব্ৰিকছ্‌ ৰাষ্ট্ৰগোষ্ঠীৰ বিদেশ মন্ত্ৰীসকলৰ এখন দুদিনীয়া বৈঠক আজি নতুন দিল্লীত আৰম্ভ হ'ব।

২। অসম চৰকাৰে অহা ২৬ মে'ত বিধানসভাত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়ক উত্থাপন কৰিব।

৩। পশ্চিমবংগ চৰকাৰে আলু, পিয়াজ, ফলমূল, শাক-পাচলিকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ আন্তঃৰাজ্যিক সৰবৰাহৰ ওপৰত থকা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰিছে।

৪। উত্তৰ প্ৰদেশত ধূলিৰ ধুমুহা, বজ্ৰপাত আৰু বৰষুণৰ ফলত যোৱা ২৪ ঘণ্টাত ৪৩জন লোকৰ মৃত্যু হৈছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে কলকাতা নাইট ৰাইডাৰ্ছক ৬ উইকেটত পৰাস্ত কৰে।

০০০০০০০

ব্ৰিকছ্‌ ৰাষ্ট্ৰগোষ্ঠীৰ বিদেশ মন্ত্ৰীসকলৰ এখন দুদিনীয়া বৈঠক আজি নতুন দিল্লীত আৰম্ভ হ'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্‌ জয়শংকৰে এই বৈঠকত অধ্যক্ষতা কৰিব। ব্ৰিকছ্‌ ৰাষ্ট্ৰসমূহৰ বিদেশ মন্ত্ৰীসকলৰ লগতে সদস্য ৰাষ্ট্ৰ আৰু অংশীদাৰ ৰাষ্ট্ৰসমূহৰ উচ্চ পৰ্যায়ৰ প্ৰতিনিধিসকল এই বৈঠকত উপস্থিত থাকিব। তেওঁলোকে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকো সাক্ষাৎ কৰিব। এই বৈঠকত ব্ৰিকছ্‌ৰ সদস্য ৰাষ্ট্ৰসমূহৰ বিদেশ মন্ত্ৰীসকলে আন্তঃৰাষ্ট্ৰীয় আৰু আঞ্চলিক পৰ্যায়ৰ পাৰস্পৰিক স্বাৰ্থ জড়িত বিষয় সন্দৰ্ভত আলোচনা কৰিব। দ্বিতীয় দিনত অৰ্থাৎ কাইলৈ "BRICS@20: স্থিতিস্থাপকতা, উদ্ভাৱন, সহযোগীতা আৰু বহনক্ষমতা গঢ়ি তোলা" বিষয়ত আলোচনা অনুষ্ঠিত হ'ব। ইয়াৰ পাছতে গোলকীয় প্ৰশাসন আৰু বহুত্ববাদী ব্যৱস্থাৰ সংস্কাৰ বিষয়ক আন এখন আলোচনা সত্ৰ অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে, ব্ৰিকছ্‌ৰ বিদেশ মন্ত্ৰীসকলে ইয়াৰ পূৰ্বে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ ৮০ সংখ্যক অধিবেশনৰ আগেয়ে যোৱা বছৰৰ ২৬ ছেপ্টেম্বৰত বৈঠকত মিলিত হৈছিল। এই বৈঠকত ভাৰতে অধ্যক্ষতা কৰিছিল।

০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্‌ জয়শংকৰে কালি দক্ষিণ আফ্ৰিকাৰ আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক আৰু সহযোগিতা মন্ত্ৰী ৰোনাল্ড লামোলাৰ সৈতে নতুন দিল্লীত বৈঠকত মিলিত হয়। সামাজিক মাধ্যম এক্সত দিয়া এটা বাৰ্তা যোগে ড০ জয়শংকৰে কয়, যে দুয়োগৰাকী নেতাই আনুষ্ঠানিক প্ৰক্ৰিয়াৰ জৰিয়তে দ্বিপাক্ষিক

সম্পৰ্ক শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰিছে। এই বৈঠকত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ কৌশলগত অংশীদাৰিত্ব শক্তিশালী কৰাৰ লগতে পাৰস্পৰিক স্বাৰ্থ জড়িত ভালেমান বিষয়ে আলোচনা কৰা হয়। সামাজিক মাধ্যমৰ বাৰ্তা যোগে ৰোনাল্ড লামোলাই ব্ৰিকছ্ ৰাষ্ট্ৰসমূহৰ বিদেশ মন্ত্ৰীসকলৰ সন্মিলনৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত আলোচনাৰ পৰিবেশ সৃষ্টি কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপৰ বাবে ভাৰতক ধন্যবাদ জ্ঞাপন কৰে। ভাৰত আৰু দক্ষিণ আফ্ৰিকাই তিনি দশকৰো কালজুৰি কূটনৈতিক সম্পৰ্ক শক্তিশালী কৰাৰ বাবে নিকট আৰু অৰ্থবহ সম্পৰ্ক বৰ্তাই ৰাখি আহিছে বুলি তেওঁ উল্লেখ কৰে।

0000000

অসম চৰকাৰে অহা ২৬ মে'ত বিধানসভাত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়ক উত্থাপন কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি তেওঁৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথমখন মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে অহা ২১ মে'ৰ পৰা বিধানসভাৰ অধিৱেশন অনুষ্ঠিত হ'ব। এই অধিৱেশনতে নৱনিৰ্বাচিত বিধায়কসকলে শপতগ্ৰহণ কৰিব। অধিৱেশনৰ পাছত মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰা হ'ব। তেওঁ লগতে এই অধিৱেশনত চন্দ্ৰমোহন পাটোৱাৰী অস্থায়ী অধ্যক্ষ হিচাপে থাকিব বুলি জানিবলৈ দিয়ে। নতুন মন্ত্ৰীসভাই শপতগ্ৰহণৰ পাছত জ্যেষ্ঠ বিধায়ক ৰণজিত কুমাৰ দাসক অধ্যক্ষৰ দায়িত্ব দিয়া হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ড০ শৰ্মাই কয়, যে বিধানসভা অধিৱেশনৰ অন্তিম দিনা অৰ্থাৎ ২৬ মে'ত উমৈহতীয়া দেৱানী বিধি উত্থাপন কৰা হ'ব। মন্ত্ৰীসভাই কালি উমৈহতীয়া দেৱানী বিধিৰ খচৰাত অনুমোদন জনায়। এই খচৰা অনুসৰি পাৰ্বত্য আৰু ভৈয়াম জনজাতিৰ লোকসকলক উমৈহতীয়া দেৱানী বিধিৰ আওঁতাৰ পৰা বাহিৰত ৰখা হ'ব বুলি তেওঁ কয়।

প্ৰস্তাৱিত বিধেয়কখনে বিবাহৰ আইনী বয়স নিৰ্ধাৰণ, বহুবিবাহত নিষেধাজ্ঞা, সম্পত্তিৰ অধিকাৰ আৰু লিভ ইন ৰিলেচনকে ধৰি কেইবাটাও বিষয় সামৰি লোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। ইয়াৰ লগে লগে উত্তৰাখণ্ড আৰু গুজৰাটৰ পাছত উমৈহতীয়া দেৱানী বিধি কাৰ্যকৰী কৰা অসম তৃতীয়খন ৰাজ্য হিচাপে পৰিগণিত হ'ব।

0000000

পশ্চিমবংগ চৰকাৰে আলু, পিয়াজ, ফলমূল, শাক-পাচলি, তৈল বীজ, খাদ্যশস্য আৰু অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰীৰ আন্তঃৰাজ্যিক সৰবৰাহৰ ওপৰত থকা সকলো নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰিছে। পূৰ্বৰ টি এম চি চৰকাৰে এই নিষেধাজ্ঞাসমূহৰ আৰোপ কৰিছিল। এই নিষেধাজ্ঞাসমূহৰ ফলত কৃষকসকল বিশেষকৈ আলু খেতিয়কসকল বৃহৎ লোকচান সন্মুখীন হৈছিল। বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিজেপিয়ে এই নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰিব বুলি কৃষকসকলক প্ৰতিশ্ৰুতি দিছিল। ইপিনে, ৰাজ্যখনৰ চৰকাৰে শিক্ষক নিযুক্তি, পৌৰসভা আৰু সমবায় সেৱাৰ নিযুক্তিৰ সৈতে জড়িত গোচৰসমূহৰ দায়িত্ব কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চি বি আইক দিয়াৰ সিদ্ধান্ত লৈছে। পূৰ্বৰ টি এম চি চৰকাৰে দুৰ্নীতিগ্ৰস্ত বিষয়াসকলক সুৰক্ষা প্ৰদানৰ বাবে এই গোচৰসমূহ নিষ্পত্তি কৰিবলৈ কোনো পদক্ষেপ নল'লে বুলি মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীয়ে প্ৰকাশ কৰিছে। তেওঁ কয়, যে চৰকাৰে দুৰ্নীতি দূৰ কৰাৰ বাবে শূণ্য সহনশীলতা নীতি গ্ৰহণ কৰিব। নতুন চৰকাৰখনে এই ক্ষেত্ৰত কেইবাটাও নিৰ্দেশ জাৰি কৰিছে।

0000000

উত্তৰ প্ৰদেশত ধূলিৰ ধুমুহা আৰু বজ্ৰপাতৰ লগতে বৰষুণৰ ফলত শেহতীয়া ২৪ ঘণ্টাত ৪৩ জন লোকৰ মৃত্যু হৈছে। মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে ক্ষতিগ্ৰস্ত লোকসকলক সকলো ধৰণৰ সহায় আগবঢ়াবলৈ

সংশ্লিষ্ট বিভাগৰ বিষয়া কৰ্মচাৰীসকলক নিৰ্দেশ প্ৰদান কৰিছে। আকাশবাণীৰ সংবাদদাতাই জনোৱা অনুসৰি ৰাজ্যখনৰ ভাদোহী জিলাত সৰ্বাধিক ১৫জন লোকে প্ৰাণ হেৰুওৱাইছে। মিৰ্জাপৰত ১০জন, ফাতেহপুৰত ৯জন, বাদায়ুনত ৫জন আৰু বৰেলী জিলাত ৪জন লোকৰ মৃত্যু হৈছে। বজ্ৰপাতৰ বাবে সৰ্বাধিক লোকে প্ৰাণ হেৰুওৱাইছে।

০০০০০০০

কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চি বি আইৰ সঞ্চালক প্ৰবীন ছুদৰ কাৰ্যকাল এবছৰ বৃদ্ধি কৰিছে। কৰ্মচাৰী আৰু প্ৰশিক্ষণ বিভাগে জাৰি কৰা চৰকাৰী নিৰ্দেশ অনুসৰি মন্ত্ৰীসভাৰ নিযুক্তি সমিতিয়ে এই কাৰ্যকাল বৃদ্ধিৰ অনুমোদন জনাইছে।

০০০০০০০

চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিঙৰ সৈতে দুদিনীয়া শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ বাবে আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্প কালি সন্ধিয়া বেইজিঙত উপস্থিত হয়। ট্ৰাম্পৰ এই ভ্ৰমণ কাৰ্যসূচীত ইৰাণ যুদ্ধ, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত দেখা ইন্ধনৰ সংকট, বাণিজ্যিক ক্ষেত্ৰৰ সমস্যা, টাইৱান আৰু কৃত্ৰিম বুদ্ধিমত্তাকে ধৰি কেইবাটাও বিষয় স্থান লাভ কৰিব বুলি সম্ভাৱনা প্ৰকাশ পাইছে। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অনিশ্চয়তা বৃদ্ধি পোৱাৰ মাজতে দুয়োখন ৰাষ্ট্ৰৰ মাজত সম্পৰ্ক সুস্থিৰ কৰি তোলাৰ ক্ষেত্ৰত ট্ৰাম্পৰ এই ভ্ৰমণ গুৰুত্ব লাভ কৰিছে। আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে হৰমুজ প্ৰণালী পুনৰ মুকলি কৰাৰ লগতে উপ সাগৰীয় অঞ্চলত উত্তেজনা হ্ৰাস কৰাৰ ক্ষেত্ৰত চীনক পদক্ষেপ ল'বলৈ হেঁচা দিব বুলিও প্ৰকাশ পাইছে। এই সন্মিলনত পাৰস্পৰিক অৰ্থনৈতিক সম্পৰ্ক শক্তিশালী কৰাত বিষয়টোৱে গুৰুত্ব লাভ কৰিব বুলি প্ৰকাশ পাইছে। আলোচনাত চীনৰ আমেৰিকাৰ সামগ্ৰী ক্ৰয় বৃদ্ধি, কৃষি ৰপ্তানি আৰু ইন্ধনজাত সামগ্ৰীকে ধৰি বিভিন্ন বিষয় অন্তৰ্ভুক্ত হ'ব বুলি সূত্ৰত প্ৰকাশ পাইছে।

০০০০০০০

ইৰাণৰ সৈতে হোৱা যুদ্ধৰ সময়ত ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতানিয়াহুৱে গোপনে সংযুক্ত আৰব আমিৰশ্বাহী ভ্ৰমণ কৰিছিল আৰু ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰিছিল। নেতানিয়াহুৰ কাৰ্যালয়ৰ পৰা প্ৰকাশিত এক বিবৃতি অনুসৰি ইজৰাইলৰ প্ৰধানমন্ত্ৰীয়ে সংযুক্ত আৰব আমিৰশ্বাহীৰ ৰাষ্ট্ৰপতি শ্বেইখ মহম্মদ বিন জায়েদ আল নাহিয়ানৰ সৈতে আলোচনাত মিলিত হয়। বিবৃতিটোত এই বৈঠকে ইজৰাইল আৰু ইউ এ ইৰ সম্পৰ্কত এক ঐতিহাসিক অগ্ৰগতিৰ সূচনা কৰা বুলি অভিহিত কৰা হৈছে। অৱশ্যে ইজৰাইলৰ প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণৰ খবৰ দেশখনে অস্বীকাৰ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত দেশখনৰ বৈদেশিক মন্ত্ৰালয়ে এই বাতৰিসমূহ মিছা বুলি দাবী কৰিছে।

০০০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ, চি বি এছ্ ইৰ অধীনৰ দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল কালি ঘোষণা কৰা হৈছে। শিক্ষাৰ্থীসকলে ৰোল নম্বৰ উল্লেখ কৰি আনুষ্ঠানিক ৱেবচাইট, ডিজিল'কাৰ আৰু উমং এপৰ জৰিয়তে ফলাফল চাব পাৰিব। চি বি এছ্ ইয়ে জাৰি কৰা এটা বিবৃতি অনুসৰি, এইবাৰ পৰীক্ষাত অৱতীৰ্ণ ১৭ লাখ ৬৮ হাজাৰৰো অধিক বিদ্যাৰ্থীৰ ভিতৰত ১৫ লাখ ৭ হাজাৰৰো অধিক উত্তীৰ্ণ হৈছে। উত্তীৰ্ণৰ সামগ্ৰিক হাৰ ৮৫ দশমিক ২-০ শতাংশ।

ইপিনে ,পশ্চিমবংগৰ উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদে আজি দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ ফলাফল ঘোষণা কৰিব। পৰিষদৰ অধ্যক্ষ পাৰ্থ কৰ্মকাৰে দিনৰ ১১ বজাত আনুষ্ঠানিকভাৱে ফলাফল ঘোষণা কৰিব। ছাত্ৰ-

ছাত্ৰীসকলক আজি সংশ্লিষ্ট শিক্ষানুষ্ঠানৰ পৰা তেওঁলোকক মাৰ্কশ্বিট আৰু চাৰ্টিফিকেট ল'বলৈ কোৱা হৈছে। উল্লেখযোগ্য যে, এইবাৰ ষান্মাসিক পদ্ধতিৰে এই পৰীক্ষা অনুষ্ঠিত হৈছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কালি নিশা ৰায়পুৰত ৰয়েল চেলেঞ্জাৰছ বেংগালুৰুৱে কলকাতা নাইট ৰাইডাৰ্ছক ৬ উইকেটত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি কলকাতা নাইট ৰাইডাৰ্ছে নিৰ্ধাৰিত ২০ অ'ভাৰত চাৰিটা উইকেটৰ বিনিময়ত ১৯২ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ অংকৃশ ৰঘুবংশীয়ে ৭১ আৰু ৰিংকু সিঙে অপৰাজিত ৪৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ৰয়েল চেলেঞ্জাৰছ বেংগালুৰুৱে  ১৯অ'ভাৰ আৰু এটা বলত চাৰিটা উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। দলটোৰ হৈ বিৰাট কোহলীয়ে ৬০ টা বলত অপৰাজিত ১০৫ ৰান সংগ্ৰহ কৰে। খেলখনত বিৰাট কোহলীয়ে কেইবাটাও অভিলেখ ভংগ কৰে। ১১টা চাৰি আৰু ৩টা ছয়কে ধৰি ৬০ টা বলত অপৰাজিত ১০৫ ৰান সংগ্ৰহ কৰা কোহলীৰ এইটোৱেই আছিল আই পি এলৰ নৱম শতক। ইয়াৰ লগে লগে আই পি এলৰ নৱম শতক। ইয়াৰ  লগে লগে আই পি এল ইতিহাসত সৰ্বাধিক শতক অৰ্জন কৰা খেলুৱৈৰ খিতাপ দখল কৰে বিৰাট কোহলীয়ে। ইয়াৰ লগতে কোহলীয়েও ১৪ হাজাৰ টি-২০ ৰান সম্পূৰ্ণ কৰি ক্ৰীছ গেইলৰ অভিলেখ ভংগ কৰা প্ৰথমজন ভাৰতীয় খেলুৱৈ হিচাপে পৰিগণিত হয়। কালিৰ খেলখনত বিৰাট কোহলীক মেন অফ দা মেটচ সন্মান প্ৰদান কৰা হয়। কলকাতাৰ ত্যাগীয়ে তিনিটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে বেংগালুৰুৱে টছত জয়লাভ কৰি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈছিল। বৰষুণৰ বাবে খেলখন কিছুসময় পলমকৈ আৰম্ভ কৰিবলগীয়া হয়। এই জয়ৰ লগে লগে ৰয়েল চেলেঞ্জাৰছ বেংগালুৰুৱে ১৬ পইণ্টেৰে তালিকাৰ শীৰ্ষত আৰোহণ কৰি গুজৰাট টাইটানছৰ সৈতে সমতা স্থাপন কৰে। আজি সন্ধিয়া চাৰে ৭ বজাত ধৰ্মশালাৰ হিমাচল প্ৰদেশ ক্ৰিকেট এছ'চিয়েশ্যন ষ্টেডিয়ামত পঞ্জাব কিংছ আৰু মুম্বাই ইণ্ডিয়ানছ মুখামুখি হ'ব।

০০০০০০০

সমাপ্ত